স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

13 □ NO-164 □ SATURDAY 19 AUGUST 2023 (ডিব্ৰুগড় সংস্কৰণ)

## ডিএইচএছ কানৈ কলেজত সম্বৰ্ধনা অনুষ্ঠান

### ড° নিৰ্মালি পেগুক 'বাৰ্তা প্ৰৱাহিকা' উপাধিৰে সন্মানিত



বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৮ আগষ্ট ঃ কানৈ মহাবিদ্যালয়ত ৭৭ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই বাৰো বিগত বৰ্ষৰ দৰে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সম্বৰ্ধনা সমিতিৰ উদ্যোগত সমাজৰ বিভিন্ন দিশত বৰঙণি আগবঢ়োৱা বিশিষ্ট শিক্ষাসংগঠক, সাংবাদিক, সাহিত্যিক, সাংস্কৃতিক আৰু সমাজকৰ্মীসকলক স্বাধীনতা দিৱস উপলক্ষে সম্বৰ্ধনা জনোৱা হয়। ডিব্ৰুগড়ৰ বিশিষ্ট শিক্ষা সংগঠক প্ৰণৱ মাত্ৰাৱী, বিকাশ গগৈক 'শিক্ষাসংগঠক' সন্মান প্ৰদান কৰা হয়। সাংবাদিক, ৰাজীৱ দত্ত, ললিত শৰ্মা, সাহিত্যিক, কবি মামণি শৰ্মা, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বিশিষ্ট লেখক ভূষণজ্যোতি সন্দিকৈক সম্বৰ্ধনা জনোৱা হয়। সাংস্কৃতিক দিশত অৱদান আগবঢ়োৱা জনপ্ৰিয় যুৱ শিল্পী, প্ৰাক্তন কানৈয়ান নিতুল ১০ পৃষ্ঠাত

অনু
কৌ
শিক্ষ
দলে
বক্ত
টাই
কৰে
বিল্প
বাং
লাই
বাং
দি খ
মিছ
শিক্ষ
টাই

## বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীক পু

## ডুমডুমাত যুৱ সমাৰোহৰ ব



নিয়মীয়া বাৰ্তা, ডুমডুমা, ১৮ আগষ্ট ঃ শ্ৰীশ্ৰী ৰামকৃষ্ণ সেৱাশ্ৰম, ডুমডুমাৰ উদ্যোগত ১৩ আগষ্টত সেৱাশ্ৰম চৌহদত এক যুৱ সমাৰোহ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ ৰামকৃষ্ণ মিছনৰ সম্পাদক শ্ৰীমৎ স্বামী

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

3 NO-164 SATURDAY 19 AUGUST 2023 (ডিব্রুগড় সংস্ক

# ডিএইচএছ কানৈ কলেজত সম্বৰ্ধনা অনুষ্ঠান

দাধৰা, ঝুমুৰ গীতৰ বিশিষ্ট গায়ক প্ৰদীপ কৰ্মকাৰ, প্ৰাক্তন কানৈয়ান চন্দন পাঠকৰ লগতে কণ কণ শিশুৰ বাবে সাংস্কৃতিক দিশত আগ বঢ়োৱা অৱদানৰ বাবে শিল্পী ৰুবী গগৈ সন্দিকৈক সম্বৰ্ধনা জনোৱা হয়। কানৈ মহাবিদ্যালয়ত সুদীৰ্ঘ ২৫টা বৰ্ষ অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° অনুপজ্যোতি ভৰালী, ড° অনন্ত কুমাৰ দত্ত, বিদ্যুৎ বিকাশ গগৈ, ৰমাকান্তি দাস, কল্যাণী দাস আৰু ড° মৰমী তালুকদাৰক সম্বৰ্ধনা জনোৱা হয়। কানৈ গ্ৰীন ক্লাৱৰ সকলো সদস্য-সদস্যাক সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়খন উত্তৰণৰ বাবে অহৰহ অৰিহণা যোগোৱা আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ প্ৰাক্তন সমন্বয়ক ড° মৃদুল শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। কানৈ মহাবিদ্যালয়ৰ ইতিহাসত পোনপ্ৰথম বাৰৰ বাবে 'বাৰ্তা প্ৰৱাহিকা' সন্মান প্ৰদান কৰা হয়। কানৈ মহাবদ্যিালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠান, কানৈ মহাবিদ্যালয়ৰ সফলতাৰ খবৰ বিভিন্ন সামাজিক মাধ্যমত নিৰৱচ্ছিন্নভাৱে প্ৰচাৰ কৰাৰ বাবে অনুষ্ঠানত অধ্যাপিকা ড° নিৰ্মালী পেগুক 'বাৰ্তা প্ৰৱাহিকা' উপাধিৰে সন্মানিত কৰা হয়। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি 'মোৰ দেশ মোৰ মাটি' শীৰ্ষক বাৰ্তা প্ৰেৰণৰ উদ্দেশ্যে কানৈ মহাবিদ্যালয় চৌহদত এক গছপুলি ৰোপণ কৰা হয়।